1. জাঁ পল ছাত্রে ( Sarte) কোন?

Ans: জাঁ পল ছাত্রে হ'ল এগৰাকী ফৰাচী দাৰ্শনিক, নাট্যকাৰ, সাহিত্যিক আৰু সমালোচক। তেওঁৰ জন্ম হয় পেৰিছত ১৯০৫ খ্ৰীষ্টাব্দৰ ২১ জুনত। অস্তিত্ববাদী দৰ্শনৰ উপৰিও তেওঁ আছিল প্ৰতীতিবাদ আৰু মাৰ্ক্সবাদৰ এগৰাকী প্ৰভাৱশালী বিংশ শতিকাৰ ফৰাচী দাৰ্শনিক। সাহিত্য আৰু সমাজবিজ্ঞানত তেওঁৰ ব্যাপক দখল আছিল।

2. অস্তিত্ব সাৰধৰ্মৰ পূৰ্বৱৰ্তী(Existence Precedes Essence) বিষয়ে আলোচনা কৰা।

Ans: সমগ্ৰ অস্তিত্ববাদী দৰ্শন যি শ্লোগানেৰে প্ৰতিধ্বনিত হৈছে সেইটো হ'ল Existence precedes essence' অৰ্থাৎ 'অস্তিত্ব সাবধৰ্মৰ পূৰ্ববৰ্তী'। মানৱ অস্তিত্বই অস্তিত্ববাদী দৰ্শনব মূল কথা। সেইকাৰণে অস্তিত্ববাদী দাৰ্শনিকসকলে এই মূল সূত্ৰটো আৱিষ্কাৰ কৰে আৰু ইয়াক তেওঁলোকৰ দৰ্শনৰ মূল শ্লোগান হিচাপে ব্যৱহাৰ কৰে। 'অস্তিত্ব সাবধৰ্মব পূৰ্ববৰ্তী'- এই উক্তিটো সৰ্বপ্ৰথম ব্যৱহাৰ কৰে ডেনমাৰ্কৰ দাৰ্শনিক কীৰ্কেগাৰ্ড আৰু অস্তিত্ববাদী দৰ্শনত ইয়াক সবল ৰূপত প্ৰতিষ্ঠিত কৰে ফৰাচী দাৰ্শনিক জাঁ পল ছাত্রে।

পৰম্পৰাগত দৰ্শন অনুসৰি সাৰধৰ্ম হ'ল বস্তুৰ সেই বুদ্ধিগ্ৰাহ্য ধৰ্ম যি অপবিৰৰ্তনীয়, শাশ্বত আৰু চিৰন্তন। যি ধৰ্ম বা বৈশিষ্ট্যৰ বাবে কোনো বস্তু যি সেই ৰূপত সত্তাৱান তাকেই বস্তুৰ সাৰধৰ্ম বোলা হয়। সাবধৰ্ম হ'ল একে শ্ৰেণী বা জাতীৰ মাজত নিহিত সাধাৰণ ধৰ্ম। ইয়াক শ্ৰেণী-ধৰ্ম বা জাতি বুলিও কোৱা হয়।

যেনে- ঘটৰ সাৰধৰ্ম হ'ল 'ঘটত্ব', গৰুৰ সাৰধৰ্ম হ'ল 'গোত্ব', মানুহৰ সাৰধৰ্ম হ'ল 'মনুষ্যত্ব' ইত্যাদি। বিশেষ বিশেষ ঘট, গৰু বা মানুহ পৰিবৰ্তনশীল, নশ্বৰ, অনিত্য আৰু ইন্দ্ৰিয়গ্ৰাহ্য। কিন্তু সাৰধৰ্ম অপৰিৱৰ্তনীয়, অবিনশ্বৰ, নিত্য আৰু বুদ্ধিগ্ৰাহ্য। দৰ্শনৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, ভাববাদী দাৰ্শনিকসকলে অস্তিত্বৰ পৰিৱৰ্তে সাৰধৰ্ম বা সাৰসত্তাক অগ্ৰাধিকাৰ দি সদম্ভে ঘোষণা কৰিছিল যে, সাৰধৰ্ম অস্তিত্বৰ পূৰ্ববৰ্তী প্ৰথমতে সাৰধৰ্ম আৰু সেই সাৰধৰ্ম অনুসাৰে পিছত ৰচিত হয় বিশেষ বিশেষ বস্তুৰ অস্তিত্ব। উদাহৰণস্বৰূপে- 'ঘট' এটা তৈয়াৰ কৰাৰ আগত কুমাৰৰ সাৰসত্তা 'ঘটত্ব'ৰ ধাৰণা থাকে। পিছত সেই ধাৰণা অনুসাৰে ঘট এটা তৈয়াৰ কৰে। 'ঘটত্ব'ৰ ধাৰণা নাথাকিলে কুমাৰে ঘটটোক তৈয়াৰ কৰিব নোৱাৰিব। গতিকে ঘট তৈয়াৰ কৰাৰ আগত কুমাৰৰ মনত ঘটৰ সাৰধৰ্ম 'ঘটত্ব'ৰ ধাৰণা নিহিত থাকে। সেইকাৰণে সাৰধৰ্ম আগত, তাৰ পিছত বিশেষ বিশেষ বস্তুৰ অস্তিত্ব। গ্ৰীক ভাববাদী দাৰ্শনিক প্লেটোৱে সাৰধৰ্মক গুৰুত্ব দি কৈছে, প্ৰত্যয় বা ধাৰণাৰ (Idea) জগত হৈছে প্ৰকৃত জগত, বিশেষ বিশেষ ইন্দ্ৰিয়গ্ৰাহ্য বস্তুব জগত হৈছে সেই ধাৰণাৰ জগতৰ নকলমাত্ৰ। জাগতিক ইন্দ্ৰিয়গ্ৰাহ্য বস্তুবোৰ পৰিবৰ্তনশীল, দেশ-কালৰ দ্বাৰা সীমাবদ্ধ। একমাত্ৰ বুদ্ধিৰ দ্বাৰাই লাভ কৰা সাধাৰণ ধাৰণাই শাশ্বত। যেনে- বিশেষ বিশেষ মানুহৰ জন্ম আৰু মৃত্যু থাকিলেও মানুহৰ সাৰাধৰ্ম 'মনুষ্যত্ব' অমূৰ্তভাব, সাৰ্বিক আৰু চিৰন্তন।

3. ছাত্রেৰ মানৱ স্বাধীনতাৰ অভিমতটো আলোচনা কৰা।

Ans: স্বাধীনতাৰ ধাৰণা আৰু অস্তিত্ববাদী দৰ্শনৰ ধাৰণা এক আৰু অভিন্ন। ব্যক্তি যি অৰ্থত অস্তিত্বৱান সেই একেই অৰ্থত ব্যক্তি স্বাধীন। যি ব্যক্তি স্বাধীন নহয় সেই ব্যক্তি অস্তিত্বৱান নহয়। কিন্তু দাৰ্শনিক ছাত্রে মানৱ স্বাধীনতাক এক বিশেষ দৃষ্টিত উপস্থাপন কৰিছে। এই দৃষ্টিভংগীত মানৱ স্বাধীনতা অতি মহত্বপূৰ্ণ ধাৰণা। ছাত্রে মানুহৰ স্বাধীনতাক ইমান বেছি গুৰুত্ব দিছে যে এই স্বাতন্ত্র্যতাই মানুহৰ বাবে এটা গধুৰ বোজা বা দায়িত্বত পৰিণত হৈছে। ছাত্রেৰ মতে, 'Man is condemned to be free' অৰ্থাৎ মানুহ স্বতন্ত্ৰ হোৱাৰ বাবে বাধ্য বা অভিশপ্ত। ছাত্রে তেওঁৰ 'Existentialism and Humanism' নামৰ গ্ৰন্থত এই কথাটোকে ব্যাখ্যা কৰি কৈছে, আমি এই জগতত স্বতন্ত্ৰ হোৱাৰ বাবে বাধ্য বা অভিশপ্ত- এই জগতত জন্মগ্ৰহণ কৰাৰ পিছত আমি যি কৰোঁ তাৰ বাবে আমি নিজেই দায়ী।

ছাত্রেৰ মতে, মানুহ কোনো উদ্ভিদ বা ফল-ফুলৰ দৰে বস্তু নহয় যি আপোনা-আপুনি বিকশিত হ'ব। মানুহ হৈছে এটা পৰিকল্পনা (man is indeed a project)। মানুহ অস্তিত্ববান তেতিয়া হয়, যেতিয়া তেওঁ স্বয়ং নিজকে তৈয়াৰ কৰি লয়। মানুহ বৃক্ষ বা পাথৰৰ দৰে নহয় যি স্বতন্ত্ৰ ইচ্ছা বিহীনভাবে কেৱল অস্তিত্বশীল।

ছাত্রে স্পষ্ট ভাষাত কৈছে, মানুহে তেওঁৰ স্বতন্ত্ৰ ইচ্ছা-শক্তিৰ দ্বাৰাই নিজকে নিৰ্মাণ কৰে, তেওঁ জীৱনত যি হয় সি তেওঁৰ স্বতন্ত্ৰ নিৰ্বাচন বা সিদ্ধান্তৰে পৰিণাম।

## 4.মিথ্যা বিশ্বাস বা প্রবঞ্চনাত্মক বিশ্বাস(Bad Faith) কি?

Ans: মিথ্যা বিশ্বাস বা প্রৱঞ্চনাত্মক বিশ্বাস ছাত্রেৰ অস্তিত্ববাদী দৰ্শনৰ এটা অতি গুৰুত্বপূৰ্ণ দাৰ্শনিক মতবাদ। এই মতবাদত ছাত্রে মানৱ অস্তিত্বৰ কিছু অপ্ৰাসংগিক দিশৰ মিথ্যাত্বৰ বিশ্লেষণ কৰিছে আৰু ইয়াৰ জৰিয়তে এইটো ক'ব বিচাৰিছে যে, মানুহে নিজৰ অস্তিত্বৰ বিকাশৰ বাবে নিজৰ প্ৰকৃত সত্তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। মানুহৰ অস্তিত্বত নিহিত চিন্তা, নিসংগতা, নিৰাশা আদিৰ অনুভূতি মানৱ অস্তিত্বৰ অপৰিহাৰ্য বৈশিষ্ট্য। কিন্তু কিছুমান মানুহে এনে ধৰণৰ অনুভূতিৰ পৰা শংকিত হৈ পৰে। ইয়াৰ পৰা তেওঁলোকৰ পৰিত্ৰাণ পোৱাৰ চেষ্টা কৰা দেখা যায়।

5. ছাত্ৰেৰ সত্তাৰ ধাৰণাটো ব্যাখ্যা কৰা।

Ans: দৰ্শনশাস্ত্ৰৰ এক অতি গুৰুত্বপূৰ্ণ আলোচ্য-বিষয় হৈছে সত্তা। প্ৰাচ্য-পাশ্চাত্য, প্ৰাচীন-মধ্য-আধুনিক আদি সকলো যুগতে সত্তাৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা হৈছে। বিশেষকৈ এই আলোচনা আগবঢ়াইছে ভাববাদী দাৰ্শনিকসকলে আৰু ইয়াৰ মাধ্যমেদি তেওঁলোকে সকলো দাৰ্শনিক সমস্যা সমাধানৰ চেষ্টা কৰিছে। পাশ্চাত্য দৰ্শনৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে, গ্ৰীক দাৰ্শনিক পাৰমেনিডিচ (Parmenides) সৰ্বপ্ৰথম সত্তা সম্পৰ্কীয় আলোচনাৰ সূচনা কৰে। পাৰমেনিডিচৰ মতে, সত্তা হ'ল এক নিত্য, সৰ্বব্যাপক, অবিভাজ্য তত্ত্ব। পৰৱৰ্তী কালত প্লেটো (Plato), এৰিষ্টটল (Aristotle), ছেন্ট থমাছ একুইনাছ (St. Thomas Aquinas), ডান্স স্কোটাছ (Duns Scotus), হেগেল (Hegel) প্ৰমুখ্য দাৰ্শনিকসকলে সত্তা সম্পৰ্কীয় আলোচনা আগবঢ়াইছিল। তেওঁলোকে মূলত পাৰমেনিডিচৰ বক্তব্যকে ভিত্তি হিচাপে লৈ তেওঁলোকৰ মতবাদ উপস্থাপন কৰিছিল। এই দাৰ্শনিকসকলে কিবা নহয় কিবা প্ৰকাৰে অন্যান্য যাবতীয় ধাৰণাৰ উৎস হিচাপে ঈশ্বৰকে পৰমসত্তা হিচাপে গণ্য কৰিছে।